
দৈনিক অসম, গুৱাহাটী, শনিবাৰ, ১৬ নৱেম্বৰ, ২০১৯

# স্থলপথ এৰি জলপথ ব্যৱহাৰ চোৰাং ব্যৱসায়ীৰ

## তিনিচুকীয়াৰ গুইজান ঘাটত চোৰাং কাঠ জব্দ



জিলাৰ বাতৰি দিওঁতা

**তিনিচুকীয়া, ১৫ নৱেম্বৰ ঃ** অসম আৰু অৰুণাচলৰ মূল্যৱান কাঠৰ চোৰাং ব্যৱসায় ব্যাপকভাৱে অব্যাহত থকাৰ সময়ত তিনিচুকীয়া জিলা প্ৰশাসনে গঠন কৰি দিয়া টাস্ক ফ'ৰ্চে তালাচীত ৰাষ্ট্ৰীয় ঘাইপথেদি যোৱা অবৈধ কাঠভৰ্তি ট্ৰাক জব্দ কৰিবলৈ সক্ষম হৈছিল। পিছে চোৰাং ব্যৱসায়ীসকলে সম্প্ৰতি স্থলপথৰ সলনি সংগোপনে নিশাৰ ভাগত ডিব্ৰু-ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যানৰ কাযেৰে বৈ যোৱা ডিব্ৰু নদীখন ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰিছে। কালি নিশা ডিব্ৰু নদীৰ বুকুৰেদি এখন মেচিন নাৱেৰে যোৰহাটৰ দিশে গৈ থকা অবৈধ কাঠৰ কুণ্ডাভৰ্তি নাও এখন জব্দ কৰিবলৈ সক্ষম হয়। নাওখনত মুঠ ৪৩টা মূল্যৱান কাঠৰ কুণ্ডা আছিল। বন বিভাগে জনোৱা মতে, অৰুণাচলৰ চিয়াং নৈৰে উক্ত কাঠখিনি আনি অসমৰ ডিব্ৰু নদীৰে যোৰহাটৰ দিশে নিয়াৰ পৰিকল্পনা কৰা হৈছিল। জব্দকৃত চোৰাং কাঠখিনিৰ মূল্য প্ৰায় তিনি লাখ টকা হ'ব। নাওখন ৰখোৱাৰ সময়ত সুযোগ বুজি চোৰাং কাঠ লৈ অহা কেইবাজনো যুৱক পলায়ন কৰিবলৈ সক্ষম হয়। বৰ্তমান জব্দকৃত কাঠখিনি তিনিচুকীয়া আঞ্চলিক বন বিভাগৰ কাৰ্যালয়ত মজুত কৰা হৈছে। তাৎপৰ্যপূৰ্ণ যে কেইদিনমান পূৰ্বে তিনিচুকীয়া জিলাৰ জাগুন আৰক্ষীৰ নিয়মীয়া টহলদাৰী দলে জাগুনৰ দিহিং নৈৰ পাৰঘাটত নিয়মীয়া টহল দি থকা অৱস্থাত নৈখনৰ সিটো পাৰৰপৰা অবৈধভাৱে চোৰাং কাঠ কঢ়িয়াই অনা এখন বলেৰ' পিক আপ গাড়ী নৈখনৰ ওপৰত অস্থায়ীভাৱে নিৰ্মাণ কৰা এখন দলঙেৰে পাৰ হৈ যাবলৈ চেষ্টা কৰাৰ সময়তে দলংখনৰ মাজ অংশ ভাঙি যোৱাত উক্ত বলেৰ' গাড়ীখন দলঙৰ ওপৰতে আবদ্ধ হৈ পৰিছিল। ঠিক তেনে সময়তে জাগুন আৰক্ষীৰ টহলদাৰী দলটো উক্ত স্থানত উপস্থিত হৈ ঘটনাটো প্ৰত্যক্ষ কৰে আৰু অৱশেষত বলেৰ' গাড়ীখনে অবৈধভাৱে চোৰাং কাঠ কঢ়িয়াই অনা বুলি জানিব পাৰি লগে লগে জাগুন আঞ্চলিক বন বিভাগক খবৰ দিয়ে। ঘটনাৰ খবৰ পাই জাগুন বন বিভাগৰ এটা দল ঘটনাস্থলীত উপস্থিত হৈ চোৰাং কাঠসমূহ জব্দ কৰে। উল্লেখনীয় যে বৰ্তমান চোৰাং কাঠ বেপাৰীয়ে জলপথেৰে কাঠ সৰবৰাহ কাৰ্য কৰিবলৈ আৰম্ভ কৰিছে।

## কমলপুৰত ট্ৰেক্টৰ-ডাম্পাৰৰ দৌৰাত্ম্য

# পুঠিমাৰী নদীত অবাধে বালি খনন ঃ নিৰ্লিপ্ত বন বিভাগ

**প্ৰতিদিন বিশেষ সংবাদ, কমলপুৰ, ১৫ নৱেম্বৰ ঃ** কামৰূপ জিলাৰ কমলপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত পুঠিমাৰী নৈত শেহতীয়াভাৱে অবাধে চলিছে বালি খনন। প্ৰাপ্ত অভিযোগ অনুসৰি কমলপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত আঠগাঁও, পুঠিমাৰী, সোণেশ্বৰ, আজাৰাত এশৰো অধিক ট্ৰেক্টৰ-ডাম্পাৰেৰে দিনে-নিশাই অবাধে বালি খনন কাৰ্য চলি আছে। দিন-ৰাতি একাকাৰ কৰি জে চি বি, ট্ৰেক্টৰ, ডাম্পাৰে পুঠিমাৰী নৈ খনন আৰম্ভ কৰি নৈৰ মথাউৰিলৈকো নমাই আনিছে চৰম ভাবুকি। উল্লেখ্য যে কমলপুৰ ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ অন্তৰ্গত আঠগাঁৱত এইবেলি বাঢ়নী পানীয়ে পুঠিমাৰী নৈৰ মথাউৰি ভাঙি যি সংহাৰৰ সৃষ্টি কৰিছিল তাৰ অন্যতম কাৰণ আছিল নৈখনত ট্ৰেক্টৰ-জে চি বি-ডাম্পাৰে চলোৱা দৌৰাত্ম্য। কিন্তু খৰালি আৰম্ভ হোৱাৰ লগে লগে এচাম অসাধু ব্যৱসায়ীয়ে পুঠিমাৰী নৈৰ বুকুত পুনৰ আৰম্ভ কৰিছে জধে-মধে বালি-মাটি খনন কাৰ্য। বিশেষকৈ আঠগাঁও, পুঠিমাৰী, সোণেশ্বৰ, আজাৰাত অসাধু ব্যৱসায়ীসকলে অবাধে খনন কাৰ্য চলাইছে যদিও এইক্ষেত্ৰত সম্পূৰ্ণ নিৰ্লিপ্ত ভূমিকা গ্ৰহণ কৰিছে বন বিভাগৰ লগতে কামৰূপ জিলা প্ৰশাসনে। বিশেষকৈ কমলপুৰ ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ নাতিদূৰৰ আজাৰাত এশখনৰো অধিক ট্ৰেক্টৰে দিনে-নিশাই নৈৰ মাটি কাটি থকাৰ ফলত যমৰ যাতনা সহিবলগা হৈছে স্থানীয় লোকসকলে। কমলপুৰ মৰোৱা পথেৰে তীব্ৰ বেগত চলা ট্ৰেক্টৰ-ডাম্পাৰসমূহৰ বাবে পথটোৰে যাতায়াত কৰা লোকসকলৰ জীৱনলৈকো নামি আহিছে চৰম সংশয়। বিশেষকৈ কমলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়, কমলপুৰ চৰকাৰী মজলীয়া বিদ্যালয়, কমলপুৰ কনিষ্ঠ মহাবিদ্যালয়, পুঠিমাৰী উচ্চ মাধ্যমিক বিদ্যালয়, পুঠিমাৰী মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে বিপদসংকুলভাৱে উক্ত পথেৰে যাতায়াত কৰিবলগা হৈছে। ইফালে তীব্ৰবেগত চলা ট্ৰেক্টৰ-ডাম্পাৰসমূহৰ শব্দই ভয়াৱহ শব্দ প্ৰদূষণৰ সৃষ্টি কৰাৰ লগতে ধূলিৰ সমস্যাৰে যমৰ যাতনা ভোগাইছে অঞ্চলবাসীক। তদুপৰি জে চি বি-ডাম্পাৰ-ট্ৰেক্টৰৰ দৌৰাত্ম্যৰ বাবে নৈখনৰ মথাউৰিয়ে বিধ্বস্ত ৰূপ ধাৰণ কৰাৰ লগতে নৈখনত প্ৰবল খহনীয়া সৃষ্টিৰো সম্ভাৱনা প্ৰকট হৈ পৰিছে। যাৰ বাবে স্থানীয় ৰাইজে বাৰম্বাৰ স্থানীয় প্ৰশাসনৰ লগতে উত্তৰ কামৰূপ বন সংমণ্ডল প্ৰাধিকাৰীক অভিযোগ দাখিল কৰিছে যদিও সকলো পৰিণত হৈছে ফুটুকাৰ ফেনত। ইফালে নৈখনৰ পুঠিমাৰীতো অবাধে খনন কাৰ্য চলি থকাৰ অভিযোগ উত্থাপন কৰিছে অঞ্চলবাসীয়ে। সকলো নীতি-নিয়ম জলাঞ্জলি দি বন বিভাগৰ একাংশ বিষয়া-কৰ্মচাৰীক মেনেজ কৰি বিদীৰ্ণ কৰা হৈছে নৈৰ বুকু। আনহাতে আঠগাঁৱতো শতাধিক ট্ৰেক্টৰ দিনে-ৰাতিয়ে নৈৰ বালি-মাটি খনন কৰি বৃহত্তৰ অঞ্চলটোত সন্ত্ৰাসৰ সৃষ্টি কৰি আহিছে। সেয়ে সচেতন ৰাইজে কামৰূপ জিলাৰ উপায়ুক্তক শীঘ্ৰে এইক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰাৰ দাবী জনাইছে।

Guwahati, Saturday, November 16, 2019
দৈনিক জনমভূমি

### মালয়েছিয়াৰ নথিৰে সৰবৰাহ উজনিৰ উচ্চমানৰ সাঁচি

# উজনিত বছৰি ১৫ হাজাৰ কোটি টকাৰ সাঁচিৰ চোৰাং ব্যৱসায়

**সাঁচি মাফিয়াই কমিছন দি ৰাখিছে টীয়কৰ আৰক্ষীক ■ সাঁচিৰ অবৈধ ব্যৱসায়েৰে কিনিছে প্ৰাইভেট জেট**

কংকন বৰঠাকুৰ ঃ যোৰহাট, ১৫ নৱেম্বৰ ঃ উজনি অসমৰ শিৱসাগৰ, যোৰহাট আৰু গোলাঘাট জিলাক কেন্দ্ৰ কৰি হোজাইৰ কেইটামান মাফিয়াই প্ৰতি বছৰে ১৫ হাজাৰ কোটি টকাৰ অবৈধ সাঁচিৰ এক ভয়ংকৰ ব্যৱসায় চলাই আছে। উজনিৰ অত্যন্ত বাৰ পিঠিলৈ

### গ্ৰন্থমেলাই নতুন প্ৰজন্মৰ উৎকৃষ্ট চিন্তাৰ বাট প্ৰশস্ত কৰে ঃ ড° অমৰজ্যোতি চৌধুৰী

## ডিব্ৰুগড় গ্ৰন্থমেলা আৰম্ভ



ডিব্ৰুগড় ঃ ষ্টাফ ৰিপৰ্টাৰ, ১৫ নৱেম্বৰঃ আজি আৰম্ভ হয় একাদশ ডিব্ৰুগড় গ্ৰন্থমেলা। মিলনজ্যোতি সংঘৰ উদ্যোগত আৰু সদৌ অসম পুথি প্ৰকাশন আৰু বিক্ৰেতা সংস্থাৰ সহযোগত চৌকিডিংগী খেলপথাৰত আয়োজন কৰা এই গ্ৰন্থমেলা আজি বাৰ পিঠিলৈ

# উজনিত বছৰি ১৫ হাজাৰ...

*এক পিঠিৰ পৰা* উন্নতমানৰ সাঁচিৰে ডুবাই, আবুধাবিকে ধৰি কেইবাখনো দেশত ৰমৰমীয়া ব্যৱসায় চলাই থকা এই মাফিয়া চক্ৰক পূৰ্ণ সহযোগিতা আগবঢ়াইছে টীয়ক থানাৰ এজন বিষয়াই। আটাইতকৈ গুৰুত্বপূৰ্ণ কথা এয়ে যে টীয়কক ধৰি যোৰহাট, গোলাঘাট আৰু শিৱসাগৰ জিলাৰ কেইবাখনো নিৰ্দিষ্ট থানাত ভাৰপ্ৰাপ্ত বিষয়া কোন বহিব, সেয়া নিৰ্ধাৰণ কৰে সাঁচি মাফিয়া চক্ৰই। এই বিস্ফোৰক আৰু চাঞ্চল্যকৰ তথ্য পোহৰলৈ আহিছে দৈনিক জনমভূমিয়ে শেহতীয়াকৈ চলোৱা এক অনুসন্ধানত। উল্লেখযোগ্য যে নামতি, তিতাবৰ, নাহৰণিকে ধৰি যোৰহাট, শিৱসাগৰ আৰু গোলাঘাট জিলাত সাঁচি গছৰ এক বৃহৎ উদ্যোগ গঢ়ি উঠিছে। অবিশ্বাস্য যেন লাগিলেও সত্য যে এই তিনিখন জিলাত ১ লাখৰো অধিক লোক সাঁচিৰ খেতি আৰু ব্যৱসায়ত জড়িত হৈ আছে। আমাৰ অনুসন্ধানত পোহৰলৈ অহা মতে, হোজাইত থাকিয়েই আতৰৰ ব্যৱসায় চলোৱা কেইটামান দুৰ্ধৰ্ষ আৰু প্ৰৱল প্ৰতাপী সাঁচি মাফিয়াই উজনিৰ সাঁচি খেতিয়কসকলৰ পৰা ন্যূনতম মূল্যত উৎকৃষ্টমানৰ সাঁচি বন বিভাগৰ অজ্ঞাতে ক্ৰয় কৰি সৰু সৰু গাড়ীৰে হোজাইলৈ লৈ যায়। হোজাইত থকা মাফিয়াকেইটাৰ অত্যাধুনিক মিলত যোৰহাট, গোলাঘাট আৰু শিৱসাগৰ জিলাৰ পৰা চোৰাংকৈ লৈ যোৱা সাঁচি গছবোৰৰ পৰা সৰু সৰু সাঁচি 'চিপ্‌ছ' প্ৰস্তুত কৰি উলিওৱা হয়। বৰ্তমানৰ ৰাজ্য চৰকাৰখনে গ্ৰহণ কৰা নতুন সাঁচি নীতিৰ আঁৰৰ ব্যক্তি তথা প্ৰসিদ্ধ সাঁচি খেতিয়ক জেহিৰুল ইছলামে কয় যে যোৰহাট, গোলাঘাট আৰু শিৱসাগৰ জিলাৰ ১ কেজি উৎকৃষ্ট সাঁচিৰ মূল্য আন্তঃৰাষ্ট্ৰীয় বজাৰত ৩১০০ ডলাৰ। ৰাষ্ট্ৰ বিশেষে উজনিৰ সাঁচি 'চিপ্‌ছ'ৰ মূল্য ৪০ হাজাৰ টকাৰ পৰা ৩ লাখ টকা পৰ্যন্ত মূল্য উঠে। তেওঁ কয় যে যিহেতু আমাৰ দেশত সাঁচি ৰপ্তানি কৰাটো চৰকাৰে বন্ধ কৰি ৰাখিছে, সেয়েহে হোজাইৰ মাফিয়া কেইটাই প্ৰতি কেজিত ১ ডলাৰ মূল্যত মালয়েছিয়া বা ইণ্ডোনেছিয়াৰ পৰা অতি নিকৃষ্ট মানৰ সাঁচি ক্ৰয় কৰি আনে। আমোদজনক কথা এয়ে যে মালয়েছিয়া, ইণ্ডোনেছিয়া আদিৰ পৰা ক্ৰয় কৰি অনা সাঁচিৰ কাগজ পত্ৰ দেখুৱাই মাফিয়া চক্ৰই উজনিৰ উৎকৃষ্টমানৰ সাঁচি উচ্চ মূল্যত আৰৱলৈ ৰপ্তানি কৰে। এনেদৰে চোৰাং সাঁচিৰ ব্যৱসায় কৰিয়েই হোজাইৰ মাফিয়াই প্ৰাইভেট জেট ক্ৰয় কৰিবলৈ সক্ষম হৈছে বুলি মন্তব্য কৰি ইছলামে কয় যে তেওঁ ৰাজ্য চৰকাৰক তথ্যসহ দেখুৱাইছে যে সমগ্ৰ অসমত প্ৰতি বছৰে ৩০ হাজাৰ কোটি টকাৰ চোৰাং ব্যৱসায় চলি আছে। আনহাতে, এই সমগ্ৰ চোৰাং ব্যৱসায়টোত টীয়ক থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰ লগতে একাংশ আৰক্ষীৰ ভূমিকা সন্দেহজনক। এই প্ৰসংগতে উল্লেখযোগ্য যে থলুৱা সাঁচি এক্সপৰ্ট কৰিব নোৱাৰে, চৰকাৰী নিয়ম মতে ইয়াক ইমপৰ্ট কৰি 'ৰি-এক্সপৰ্ট' কৰিব পাৰিব। সেয়েহে ইণ্ডোনেছিয়া, মালয়েছিয়াৰ পৰা কাগজে-পত্ৰই 'ইমপৰ্ট' কৰা দেখুওৱা হয়।

Guwahati, Saturday, November 16, 2019

দৈনিক জনমভূমি

মৰিয়নিত ভোগদৈৰ চোৰাং বালিৰ ৰমৰমীয়া বেহা

# অবৈধ বালিৰ বিৰুদ্ধে দণ্ডাধীশৰ অভিযান

দৈনিক জনমভূমিৰ প্ৰতিবেদন, ১৫ নৱেম্বৰ ঃ বন বিভাগৰ নিষেধাজ্ঞাৰ সত্ত্বেও মৰিয়নিত অবাধ হাৰত অব্যাহত আছে চোৰাং বালিৰ ৰমৰমীয়া বেহা। মৰিয়নি আঞ্চলিক বন বিষয়া কাৰ্যালয়ৰ অন্তৰ্গত ভোগদৈ নদীৰ পুখুৰীয়া, কাটনীবাৰী, গান্ধী নগৰ এলেকাত একাংশ লোকে দিনে-নিশাই জেচিবিৰে বালি খান্দি ট্ৰাকে ট্ৰাকে বিভিন্ন স্থানলৈ সৰবৰাহ কৰি আহিছে। মৰিয়নিৰ বন বিভাগৰ সন্মুখেদি নিতৌ সৰবৰাহ হৈ আহিছে চোৰাং বালিৰ ডাম্পাৰ। মন কৰিব লগীয়া যে গিবন অভয়াৰণ্যৰ দাঁতি- কাষৰীয়া অঞ্চলসমূহ জৈৱ সংবেদনশীল এলেকা হোৱাৰ বাবেই ভোগদৈ নদীৰ উক্ত এলেকাসমূহত তিতাবৰ মহকুমা প্ৰশাসনে ১৪৪ ধাৰা জাৰি কৰি বালিৰ খনন আৰু মজুতকৰণত সম্পূৰ্ণৰূপে নিষেধাজ্ঞা জাৰি কৰি থৈছে। কিন্তু ইয়াৰ বিপৰীতে একাংশ বালি মাফিয়াই ভোগদৈ নদীৰ পুখুৰীয়া, কাটনীবাৰী, গান্ধী নগৰ এলেকাত নিশা তিনি-চাৰিখনকৈ জেচিবি লগাই চোৰাংকৈ বালি খনন কৰি মৰিয়নিৰ বিভিন্ন স্থানলৈ সৰবৰাহ কৰা লগতে অবৈধভাৱে মজুত কৰি আহিছে। যোৱা নিশা তিতাবৰ মহকুমা দণ্ডাধীশৰ এটা দলে বন বিভাগৰ সহযোগত মৰিয়নিত অবৈধ বালিৰ বিৰুদ্ধে এক অভিযান চলায়। দণ্ডাধীশৰ দলটোৱে নাগাজাংকা আৰু পুখুৰীয়াত চলোৱা অভিযানত টেগ বাহাদুৰ, অংকিত বৰপাত্ৰ, ৰুবেন আলী, সুশীল ৰাজখোৱা আৰু প্ৰফুল্ল ৰাজখোৱা নামৰ লোককেইজনে অবৈধভাৱে মজুত ৰখা বৃহৎ পৰিমাণৰ বালি জব্দ কৰা লগতে ছটাকৈ অবৈধ বালিৰ ডিপো ছীল কৰি দিয়ে। ভোগদৈ নদীৰ চোৰাং বালিৰ বিৰুদ্ধে প্ৰশাসনে চলোৱা অভিযানে অনাগত দিনত চোৰাং বালি ব্যৱসায় কৰি অহা মাফিয়া চক্ৰটোক নিয়ন্ত্ৰণ কৰিব পাৰিব নে নোৱাৰে, সেয়াহে লক্ষণীয় হ'ব।

নিয়মীয়া বাৰ্তা
শনিবাৰ, ১৬ নৱেম্বৰ ২০১৯

অবৈধ কাঠফলা মিল বন্ধৰ বাবে আছুক ১ লাখ দাবী

# ধুবুৰীৰ ডিএফঅ'ৰ বিৰুদ্ধে বনমন্ত্ৰীক ব্যৱস্থা গ্ৰহণৰ দাবী ছাত্ৰ সন্থাৰ



**নিয়মীয়া বাৰ্তা, দক্ষিণ শালমাৰা, ধুবুৰী, ১৫ নৱেম্বৰ ঃ** ধুবুৰী জিলা বন বিষয়াই দক্ষিণ শালমাৰা আঞ্চলিক আছুৰ সভাপতিৰ পৰা কাঠফলা মিল বন্ধ কৰাৰ বাবে অভিযান চলাবলৈ এক লাখ টকা দাবী কৰা ঘটনাক লৈ আজি ধুবুৰী জিলা আছুৱে বন বিষয়াজনৰ বিৰুদ্ধে বনমন্ত্ৰীলৈ এখন স্মাৰক-পত্ৰ প্ৰেৰণ কৰি উচিত ব্যৱস্থা গ্ৰহণৰ দাবী তোলে। জানিব পৰা মতে দক্ষিণ শালমাৰা আঞ্চলিক আছুৰ সভাপতি ৰাশিদুল ইছলাম তিনি দিন পূৰ্বে ধুবুৰী জিলা বন বিষয়া বিশ্বজিত ৰায়ক টেলিফোন যোগে দক্ষিণ শালমাৰা আৰু ফকীৰগঞ্জ থানা এলেকাত অবৈধভাৱে চলি থকা কাঠফলা মিল বন্ধৰ বাবে অনুৰোধ জনায়। কিন্তু জিলা বন বিষয়াজনে টেলিফোনত *১৫ পৃষ্ঠাত*

## ধুবুৰীৰ ডিএফঅ'ৰ বিৰুদ্ধে বনমন্ত্ৰীক ব্যৱস্থা গ্ৰহণৰ দাবী

কাঠফলা মিল বন্ধৰ বাবে চলোৱা অভিযানৰ নামত ১ লাখ টকা আগধন দাবী কৰে। জিলা বন বিষয়াৰ ধন দাবী কৰা ঘটনাটো আছুৰ আঞ্চলিক সভাপতিজনে মোবাইলত ৰেকৰ্ড কৰি সংবাদ মাধ্যমৰ আগত প্ৰচাৰ কৰে। এই ঘটনাৰ পিছত আজি ধুবুৰী জিলা ছাত্ৰ সন্থাই বন বিষয়াজনৰ বিৰুদ্ধে বনমন্ত্ৰী পৰিমল শুক্লবৈদ্যলৈ এখন স্মাৰক-পত্ৰ প্ৰেৰণ কৰে। কিহৰ ভিত্তিত বন বিষয়াজনে লাখ টকা দাবী কৰিলে, সেয়া তদন্ত কৰি বন বিষয়াজনৰ বিৰুদ্ধে ব্যৱস্থা ল'ব লাগে বুলি ধুবুৰী জিলা আছুৱে দাবী তোলে। ধুবুৰী জিলা উপায়ুক্তৰ জৰিয়তে এই স্মাৰক-পত্ৰ বনমন্ত্ৰীলৈ প্ৰেৰণ কৰে। ইফালে, দক্ষিণ শালমাৰা আঞ্চলিক আছুৰ সভাপতিজনে এখন সংবাদ মেলৰ আয়োজন কৰি কল ৰেকৰ্ডিংসহ সাংবাদিকসকলক বিষয়টো অৱগত কৰে। মন কৰিবলগীয়া বিষয় যে উক্ত থানা এলেকাত কমেও ৩০খনতকৈ অধিক অবৈধ কাঠফলা মিল দিনে-নিশাই আৰক্ষী-বন বিভাগৰ চকুৰ সন্মুখত চলি আছে। আছু-আমছুকে ধৰি একাংশ দল-সংগঠন, সচেতন মহলে অবৈধ কাঠফলা মিল বন্ধ কৰাৰ দাবী তুলি আহিছে যদিও বিভাগৰ ফালৰ পৰা কোনো ব্যৱস্থা নোলোৱাৰ বিপৰীতে অবৈধ কাঠফলা মিলৰ পৰা মিহিলি ধন সংগ্ৰহ কৰাৰ অভিযোগ উঠিছে। এইক্ষেত্ৰত বন বিভাগৰ বিষয়াজনৰ বিৰুদ্ধে বনমন্ত্ৰী বা ৰাজ্য চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া লক্ষণীয় হ'ব।

Guwahati, Tuesday, November 19, 2019

দৈনিক জনমভূমি

## বিজেপিৰ বুথ সভাপতি জড়িত থকাৰ অভিযোগ ঃ বন বিষয়াৰ গুৰুত্ব নাই

# বুঢ়ীদিহিঙত পুনৰ বালিৰ অবৈধ খনন

নাহৰকটীয়া ঃ নিজা সংবাদদাতা, ১৮ নৱেম্বৰ ঃ শাসকীয় বিজেপি দলৰ সৈতে নিকট সম্পৰ্ক বৰ্তাই ৰখাৰ অজুহাততে দলটোৰ একাংশ পালিনেতাৰ নেতৃত্বত দিনৰ পোহৰত বুঢ়ীদিহিঙৰ বুকুত পুনৰ আৰম্ভ হৈছে বালিৰ মুকলি লুণ্ঠন কাৰ্য। তিনিচুকীয়া জিলাৰ ডিগবৈ বন সংমণ্ডলৰ অধীনৰ তথা চৰাইপুঙৰ বনাঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত উষাপুৰ এলেকাত আৰম্ভ হোৱা বালিৰ অবৈধ খননত জড়িত এই পালিনেতাদ্বয় হৈছে মনোজ লাহন আৰু মণি লাহন নামৰ দুই ভাই-ককাই। ইয়াৰে মনোজ লাহন নামৰ লোকজন জয়পুৰ মণ্ডলৰ বিজেপিৰ বুথ কমিটীৰ সভাপতি বুলি জানিব পৰা গৈছে। লক্ষণীয় যে বিগত বৰ্ষসমূহতো মাফিয়াৰ কায়দাৰে এই দুয়োগৰাকী লোকে উষাপুৰ অঞ্চলত বালিৰ অবৈধ ব্যৱসায় চলাই আহিছিল। বন বিভাগৰ প্ৰশাসনিক দিশেৰে ডিগবৈ আৰু চৰাইপুং কাৰ্যালয়ৰ পৰা যথেষ্ট দূৰত্বত অৱস্থিত হোৱাৰ হেতু এলেকাটোত বন বিভাগৰ নিয়মিত পহৰা নথকাৰ বাবেই দুই ভাতৃ দ্বয়ে দীৰ্ঘদিনৰ পৰা উক্ত অঞ্চলত মইমতালিৰে বনজ সম্পদ লুণ্ঠন কাৰ্যত জড়িত আছে। এইক্ষেত্ৰত চকু মুদা কুলিৰ ৰূপত থকা এলেকাটোৰ বন বিষয়াৰ নিৰ্লিপ্ত ভূমিকাও অতিশয় সন্দেহজনক। উল্লেখযোগ্য যে নীপকো কৰ্তৃপক্ষই সাজি দিয়া বুঢ়ীদিহিং নদীৰ দলঙৰ প্ৰায় সমীপতে বালিৰ খনন কৰিবলৈ নদীৰ বুকুত লাহন ভাতৃদ্বয়ে জে চি বি-ডাম্পাৰ আদিও মুকলিকৈ নমাইছে। সম্পূৰ্ণ মাফিয়াৰ কায়দাৰে আৰম্ভ কৰা এই কাৰবাৰত লাহন ভাতৃদ্বয়ে এলেকাটোত সাধাৰণ লোকৰ প্ৰৱেশ নিষিদ্ধ কৰিছে। ইফালে বালি খননৰ এই অৱস্থান যদিওবা জয়পুৰ বনাঞ্চলিক কাৰ্যালয়ৰ নিচেই সমীপত, তথাপি প্ৰশাসনিক এলেকা নোহোৱাৰ বাবেই বালিৰ খনন চলি থাকিলেও প্ৰত্যক্ষদৰ্শী বন বিভাগৰ লোকেও হাত সাবটি বহি থাকিবলগীয়া হৈছে। ইফালে কোনো ধৰণৰ পাৰিপাৰ্শ্বিক প্ৰভাৱৰ মূল্যায়ন নোহোৱাকৈ, বালিৰ মহলৰ নিবিদা নোহোৱাকৈ, দলঙৰ নিচেই সমীপত সম্পূৰ্ণ অবৈধভাৱে জে চি বিৰ দৰে বাহন নমাই বালি খনন চলাই অহা লাহন ভাতৃদ্বয়ক এতিয়া কোনে নিয়ন্ত্ৰণ কৰে, সেয়া ৰাইজৰ মাজত আলোচিত হৈছে। লক্ষণীয় যে মুখ্যমন্ত্ৰীৰ গৃহ জিলাতে এনেকৈ বিভাগীয় নীতি-নিয়ম মোহাৰি বালিৰ খনন কৰা লাহন ভাতৃদ্বয় হৈছে মুখ্যমন্ত্ৰীৰে নিকট সম্পৰ্ক ৰক্ষা কৰি চলা নামৰূপৰ এগৰাকী বিজেপি নেতাৰ অতিশয় ঘনিষ্ঠ। এনে অৱস্থাত বন বিভাগেও যে লাহন ভাতৃদ্বয়ৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰিব পাৰিব, তাৰ আশা তেনেই ক্ষীণ।


অসমীয়া প্ৰতিদিন ■ গুৱাহাটী ■ মঙলবাৰ, ১৯ নৱেম্বৰ, ২০১৯/২ আঘোণ, ১৯৪১ শক

## কামৰূপৰ উপায়ুক্তক ব্যৱস্থা গ্ৰহণৰ দাবী ৰাইজৰ

# পছৰীয়াৰ মলং পাহাৰত দিনে-নিশাই চলিছে অবৈধ খনন

**প্ৰতিদিন সেৱা, শুৱালকুছি, ১৮ নৱেম্বৰ ঃ** কামৰূপ জিলাত পাহাৰৰ মাটি খনন আৰু পৰিবহণত নিষেধাজ্ঞা অব্যাহত থকাৰ সময়তে চিলা বনাঞ্চলিক কাৰ্যালয়ৰ অধীনস্থ, পছৰীয়াৰ মলং বঙলাগড় পাহাৰত দিনে-নিশাই চলি আছে অবৈধ খনন। প্ৰাপ্ত তথ্য অনুসৰি চৰকাৰী আঁচনিৰ অধীনত দুই-এটা স্থানত মাটি পেলোৱাৰ অজুহাত দেখুৱাই পাহাৰখনত নিশাৰ ভাগত দহৰ পৰা পোন্ধৰখন ট্ৰেক্টৰ, ডাম্পাৰেৰে অবৈধভাৱে খনন চলাই থকা হৈছে। পাহাৰৰ মাটি খনন সন্দৰ্ভত কোনোবাই প্ৰশ্ন কৰিলে চৰকাৰী আঁচনিৰ কাম সম্পূৰ্ণ কৰাৰ স্বাৰ্থত কামৰূপ জিলা প্ৰশাসনে মাটি খননত অনুমতি প্ৰদান কৰা বুলি কৈ প্ৰশাসনকো এই অবৈধ কাৰ্যত জড়িত কৰিবলৈ কুণ্ঠাবোধ কৰা নাই দুষ্ট চক্ৰটোৱে। চৰকাৰী আঁচনিৰ ৰূপায়ণৰ দোহাই দি মলং, বঙলাগড় পাহাৰত খননকাৰ্য চলোৱাসকলৰ পৰা চিলা বনাঞ্চলিক বিষয়াই হুছেইন নামৰ বনৰক্ষী এজনৰ জৰিয়তে কমিছন সংগ্ৰহ কৰি ৰঙিয়াস্থিত উত্তৰ কামৰূপ বন সংমণ্ডলৰ বিষয়াগৰাকীকো ইয়াৰ অংশ আদায় দি চকু মুদা কুলিৰ ভাও ধৰি থকাৰ অভিযোগ উত্থাপন কৰিছে অঞ্চলটোৰ বিভিন্ন দল-সংগঠনে। আনহাতে জনবসতিপূৰ্ণ উত্তৰ অঞ্চলত দিনে-নিশাই অবৈধভাৱে মাটি কঢ়িওৱা তীব্ৰবেগী ট্ৰেক্টৰ আৰু ডাম্পাৰে জনসাধাৰণক নৰক যন্ত্ৰণা ভোগাই আহিছে। এইক্ষেত্ৰত কামৰূপ জিলাৰ উপায়ুক্তক বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ অঞ্চলটোৰ ৰাইজে দাবী জনাইছে।

নিয়মীয়া বাৰ্তা
বৃহস্পতিবাৰ, ২১ নৱেম্বৰ ২০১৯



## পূব কামৰূপ বন সংমণ্ডল বিষয়াৰে মাফিয়াৰ গোপন বুজাবুজি

# ৰাণীৰ কালমনি নৈত অবৈধ বালি খনন

মহানগৰ বাৰ্তা, আজাৰা, ২০ নৱেম্বৰ ঃ দক্ষিণ কামৰূপৰ বিভিন্ন নৈ, উপনৈত চলি থকা অবৈধ বালি খনন আৰু সৰবৰাহৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি ৰাজ্য চৰকাৰৰ বনমন্ত্ৰীয়ে ঘোষণা কৰাৰ সময়তে মহানগৰীৰ সমীপৱৰ্তী ৰাণী সজ্জনপাৰাত কালমনি নৈত অবাধ হাৰত বালিৰ খনন চলি থকা ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়া সৃষ্টি কৰিছে। প্ৰাপ্ত তথ্য মতে, পূব কামৰূপ বন সংমণ্ডলৰ অন্তৰ্গত সজ্জনপাৰা খণ্ড বন কাৰ্যালয়ৰ সমীপৰ কালমনি নৈৰ পছ গা ধোৱা ঘাটত একাংশ লোকে দিনে-নিশাই বালি খনন কৰি আছে। প্ৰাপ্ত অভিযোগ অনুসৰি, খণ্ড বন বিষয়াগৰাকীক মেনেজ কৰি বালি মাফিয়াসকলে দিনে-নিশাই নৈৰ পৰা বালি উঠাই ট্ৰাক-ডাম্পাৰেৰে বিভিন্ন ঠাইলৈ চালান দি আছে। বন বিভাগৰ অনুমোদন নোহোৱাকৈ এইদৰে জধেমধে বালি উঠাই থকাৰ ফলত কালমনি নৈয়ে সুঁতি সলোৱাৰ সম্ভাৱনা আছে বুলি স্থানীয় সচেতন লোকসকলে মত ব্যক্ত কৰিছে। আনহাতে এইদৰে দিনে-নিশাই বালি খনন কৰি মাফিয়া চক্ৰ আৰু বন বিভাগৰ মুষ্টিমেয় লোকে লাখ লাখ টকা অবৈধভাৱে উপাৰ্জন কৰি আছে যদিও ৰাজকোষত এটকাও জমা হোৱা নাই। মন কৰিবলগীয়া যে বালি মাফিয়া চক্ৰই সজ্জনপাৰাত এইদৰে অবৈধভাৱে বালি খনন চলাই থকাৰ বিষয়ে স্থানীয় সচেতন লোকসকলে বন বিভাগৰ গুৱাহাটীস্থিত কাৰ্যালয়ৰ উচ্চপদস্থ বিষয়াক অৱগত কৰিছে যদিও বন বিভাগৰ উৰ্দ্ধতন কৰ্তৃপক্ষই বৰ্তমানলৈ কোনো ব্যৱস্থা গ্ৰহণ নকৰা কাৰ্যই ৰহস্যৰ সৃষ্টি কৰিছে।

নিয়মীয়া বাৰ্তা
বৃহস্পতিবাৰ, ২১ নৱেম্বৰ ২০১৯

### বন্যপ্ৰাণীৰ নিৰাপত্তা ব্যৱস্থা গ্ৰহণ ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষৰ

# কাজিৰঙাৰ ৰাজপথত ১৬ কোটি টকা ব্যয়েৰে চেঞ্চৰ নিৰ্মাণ

**নিয়মীয়া বাৰ্তা, কাজিৰঙা, ২০ নৱেম্বৰ ঃ** কাজিৰঙাত অধিক সক্ৰিয় হৈ উঠিছে বন বিভাগ। ৰাজপথত তীক্ষ্ণদৃষ্টি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষৰ। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বন্যপ্ৰাণীৰ নিৰাপত্তাৰ বাবে কাজিৰঙাৰ ৩৭নং ৰাষ্ট্ৰীয় পথত উদণ্ড চালকক নাকী লগাবলৈ কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই। বন বিভাগে শেহতীয়াকৈ গ্ৰহণ কৰা ব্যৱস্থাত পথটোত ঘণ্টাত ৪০ কিলোমিটাৰতকৈ অধিক গতিত যান-বাহন চলালে চালকে গম নোপোৱাকৈয়ে সাঙুৰ খাই পৰিব বন্যপ্ৰাণী আইন উলংঘাৰ অভিযোগত। জৰিমনা ভৰিব লাগিব পাঁচ হাজাৰ টকা। কিয়নো ৰাষ্ট্ৰীয় পথটোৰ ছটা স্থানত বন বিভাগে স্থাপন ১৫ পৃষ্ঠাত

## কাজিৰঙাৰ ৰাজপথত ১৬ কোটি টকা ব্যয়েৰে চেঞ্চৰ

কৰিব কেমেৰা। ৰাষ্ট্ৰীয় উদ্যানখনৰ ছটা কৰিড'ৰত স্থাপন কৰা কেমেৰাত বন্দী হ'ব ৰাষ্ট্ৰীয় পথটোৰে যাতায়াত কৰা প্ৰতিখন যান-বাহনৰ গতিবেগ। যান-বাহনসমূহৰ গতিবেগ পৰ্যবেক্ষণ কৰা হ'ব কম্পিউটাৰাইজ ছিষ্টেমত। গতিকে ঘণ্টাত ৪০ কিলোমিটাৰতকৈ অধিক গতিত চলা যান-বাহন চিনাক্ত কৰি তাৰ তথ্য বন বিভাগে দাখিল কৰিব পৰিবহণ বিভাগক। পৰিবহণ বিভাগে বাহনখনৰ পৰা পাঁচ হাজাৰ টকা জৰিমনা আদাই কৰি জমা দিব বন বিভাগক। ইতিমধ্যে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বাগৰি বনাঞ্চলৰ অধীনত ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথ কাঞ্চনজুৰি এনিমেল কৰিড'ৰত এনে কেমেৰা সংস্থাপন কৰা আছে যদিও সেয়া যথেষ্ট নহয় বুলি মত প্ৰকাশ কৰে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ সঞ্চালক পি শিৱ কুমাৰে। গতিকে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কাষেৰে যোৱা ৩৭নং ৰাষ্ট্ৰীয় পথটোত থকা পাণবাৰী, হালধিবাৰী, বাগৰি, হাৰমতি, কাঞ্চনজুৰি, আমগুৰি, হাতীদণ্ডি দেওচুৰ আৰু চিৰাঙকে ধৰি মুঠ নটা এনিমেল কৰিড'ৰৰ ভিতৰৰ পাণবাৰী এনিমেল কৰিড'ৰৰ দুঠাইত, হালধিবাৰী এনিমেল কৰিড'ৰৰ দুটা স্থানত, আমগুৰি আৰু দেওচুৰ এনিমেল কৰিড'ৰৰ দুটা স্থানত চেঞ্চৰ অৰ্থাৎ কেমেৰা সংস্থাপনৰ কাম ঠিকাদাৰৰ যোগেদি আৰম্ভ কৰিছে বুলি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ সঞ্চালকগৰাকীয়ে জানিব দিয়ে। উল্লেখ্য যে বিভিন্ন সময়ত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বন্যপ্ৰাণী ৩৭নং ৰাষ্ট্ৰীয় পথ অতিক্ৰম কৰি দক্ষিণ দিশে থকা কাৰ্বি পাহাৰলৈ গতি কৰে। বিশেষকৈ বানপানীৰ সময়ত বৃদ্ধি পায় ইয়াৰ সংখ্যা। এনে অৱস্থাত তীব্ৰ বেগী যান-বাহনৰ খুন্দাত পহু, গাহৰি, সাপকে ধৰি নিহত হয় বহু বন্যপ্ৰাণী। গতিকে ৰাষ্ট্ৰীয় সেউজ প্ৰাধিকৰণে ৰাষ্ট্ৰীয় পথছোৱাত যান-বাহনৰ গতিবেগ ৪০ কিলোমিটাৰ কৰাৰ নিৰ্দেশ জাৰি কৰিছে। এই নিৰ্দেশ অৱমাননা কৰিলে পাঁচ হাজাৰ টকা জৰিমনা বিহাৰ নিৰ্দেশ দিছে সেউজ প্ৰাধিকৰণে। ইতিপূৰ্বে যান-বাহনৰ গতি নিয়ন্ত্ৰণ কৰিবলৈ বন বিভাগে গড়কাপ্তানী বিভাগৰ সহযোগত বোকাখাতৰ পৰা জখলাবন্ধালৈকে ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথত নিৰ্দিষ্ট স্থানত স্পীড ব্ৰেকাৰ, বেৰিকেড আদিৰ যোগেদি যান-বাহনৰ গতি নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰিছে যদিও সফল হ'ব পৰা নাই। যাৰ বাবে ১৬ কোটি টকা ব্যয়সাপেক্ষ প্ৰকল্পৰ যোগেদি কেমেৰা সংস্থাপন কৰাৰ ব্যৱস্থা চলাই আছে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই।

## লাখ লাখ টকাৰ ৰাজহ হেৰুৱাইছে চৰকাৰে ঃ বন বিষয়াৰে মিতিৰালি বালি মাফিয়াৰ

# কপিলীৰ বুকুত অবাধে চলিছে বালি খনন

প্ৰতিদিন সেৱা, মায়ং, ২০ নৱেম্বৰ ঃ দিছপুৰ আৰু জাগীৰোড বিধানসভা সমষ্টিত অবৈধ বালিৰ ছিণ্ডিকেট আৰু পাহাৰত চলি থকা শিল ভঙা কাৰ্য বন্ধ কৰাত বিফল হৈছে বন বিভাগ। কামৰূপ আৰু মৰিগাঁও জিলাৰ বন বিষয়াৰ স'তে যে গোপন মিতিৰালি আছে বালি মাফিয়াৰ সেই কথা পোহৰলৈ আহিছে। অনুমতি নোহোৱাকৈ চলাই অহা শিল-বালিৰ ছিণ্ডিকেটৰ বাবে লাখ লাখ টকাৰ ৰাজহ হেৰুৱাইছে চৰকাৰে। মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ দুৰ্নীতিবিৰোধী অভিযানে ঢুকি পোৱা নাই এই দুখন জিলাত। দুৰ্নীতি আৰু ছিণ্ডিকেটৰ স'তে আপোচ নকৰা নীতি নে আপোচ কৰা নীতি চলিছে ৰাজ্যৰ বন বিভাগত তাকে লৈ চলিছে ব্যাপক চৰ্চা। 'প্ৰতিদিন'ৰ অনুসন্ধানত পোহৰলৈ আহিছে বালিৰ ছিণ্ডিকেটৰ কেতবোৰ ন ন তথ্য। কপিলীৰ বুকুত মাত্ৰ এশ মিটাৰ এলেকাত সাতটাকৈ উচ্চ ক্ষমতাসম্পন্ন ডিজেলচালিত মেচিনেৰে বালি উঠাই থকা দৃশ্যই উদঙাই দিছে বিভাগটোত প্ৰকৃততে কি ঘটি আছে। কামৰূপ জিলাৰ সোণাপুৰ ৰেঞ্জৰ অন্তৰ্গত মালৈবাৰী এলেকাত মৰিগাঁও আৰু কামৰূপ জিলাৰ মাজেৰে বৈ যোৱা কপিলী নৈৰ বুকুত অবাধ গতিত চলি থকা বালি খননকাৰ্যৰ দুৰ্ভোগ ভুগিবলগা হৈছে দুয়োপাৰৰ বাসিন্দাই। প্ৰতিদিনে কপিলীৰ বুকুত চলি থকা ত্ৰিশটাকৈ মেচিনৰ শব্দত গছ-বিৰিখত চৰাই-চিৰিকটি থাকিব নোৱৰা হৈছে। ইয়াৰ বাসিন্দাসকলে অভিযোগ দিবলৈ সাহস গোটাব পৰা নাই। কাৰণ ৰাজনৈতিক প্ৰভাৱ থকা লোকৰ হাতত বালিৰ অবৈধ মহলবোৰ। একোটা মেচিনে বালি উঠাই প্ৰতিদিনে প্ৰায় ২০ ৰ পৰা ২৫ গাড়ী বালি। বন বিভাগৰ লোকক মেনেজ কৰি দৈনিক বালিভৰ্তি ট্ৰাকবোৰ পাৰ হৈ যায় মৰিগাঁও আৰু কামৰূপ জিলাৰ গুৱাহাটীকে ধৰি বিভিন্ন ঠাইলৈ। জানিব পৰামতে বিভাগীয় অনুমতি লৈ বালি খনন কৰি আছে মাথোঁ তিনিটা বালিৰ মহলত। মৰিগাঁও জিলাৰ বহা, বৰ কুলৈ, বৰঝাৰীত থকা প্ৰতিটো বালিৰ মহলত যে অনুমতি নাই সেইকথাও স্পষ্ট। এখন চালানেৰে পাৰ হয় কেইবাখনো বালিৰ ট্ৰাক। নৈৰ দুয়োপাৰত কিদৰে বাঁহৰ বেৰ দি বালি মজুত কৰা ভঁৰাল বনাই লৈছে সেয়া দেখিলে চকু কপালত উঠিব। নৈৰ বুকুত এতিয়া নৌকা চলিবলৈ জলপথ একপ্ৰকাৰ বন্ধ। মাছ-কাছৰ বাবে সুৰক্ষিত স্থান হৈ থকা নাই ভকতগাঁৱৰ পৰা কলং পাৰলৈ। আচৰিত কথাটো হ'ল— একাংশ বালি মাফিয়াই কোনোধৰণৰ ৰাজহ আদায় নিদিয়াকৈ দিনে-নিশাই কপিলীত উচ্চ ক্ষমতাসম্পন্ন ডিজেলচালিত মেচিনেৰে খননকাৰ্য চলাই থকাৰ ফলত নৈৰ পাৰৰ বাসিন্দাৰ নিশা টোপনি নোযোৱা হৈছে। স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীসকলৰ অধ্যয়ন কৰাত বাধাৰ সৃষ্টি কৰিছে। পৰীক্ষাৰ সময়তো বন্ধ নহয় মেচিনবোৰ। প্ৰকৃতিপ্ৰেমী সংগঠনবোৰ ক'ত আছে তাক লৈও প্ৰশ্ন উত্থাপন হৈছে। ইপিনে ইটাভাতাৰ কলা ধোঁৱাই ছানি ধৰিছে সৰ্বত্ৰ। অথচ পবিতৰা অভয়াৰণ্যৰ দহ কিলোমিটাৰ এলেকাত কোনোধৰণৰ বালিৰ মহল আৰু ইটাভাতা স্থাপন কৰিব নোৱাৰিব বুলি এক নিষেধাজ্ঞা আছে। তাৰ পিচতো কিন্তু চাৰি কিলোমিটাৰ এলেকাৰ মালৈবাৰীত কপিলীৰ পাৰত চলি আছে এই অবৈধ খননকাৰ্য। বন্ধ হোৱা নাই আজিও বালিৰ অবৈধ ব্যৱসায়। কাণসাৰ নাই বিয়াগোম বন বিভাগৰ সকলো মেনেজ। বালিৰ মহলৰ কাষতে কেইবাটাও নামঘৰ, মন্দিৰ থকাৰ পিচতো তিলমানো ভ্ৰূক্ষেপ নাই। সোঁৱে-বাঁৱে ধন ঘটাৰ প্ৰতিযোগিতাত নামি পৰিছে ৰাজ্যৰ খনিজ আৰু বনজ সম্পদৰ সুৰক্ষাৰ দায়িত্বত থকা বিভাগটো। উল্লেখযোগ্য যে ২০১৮ চনৰ ৮ ফেব্ৰুৱাৰীত অবৈধ বালিৰ মহলৰ বাতৰি 'অসমীয়া প্ৰতিদিন'ত প্ৰকাশ কৰাৰ পিচদিনাই কপিলীৰ পাৰত উপস্থিত হৈছিল তেতিয়াৰ বন মন্ত্ৰী প্ৰমীলাৰাণী ব্ৰহ্ম। প্ৰমীলাৰাণী ব্ৰহ্মৰ ধমকি পোৱাৰ পিচতেই বন্ধ হৈ পৰিছিল বালিৰ মহলকেইটা আৰু ত্ৰিশটাকৈ মেচিন। পিচে দিন বাগৰাৰ লগে লগে আকৌ পূৰ্বৰ দৰে চলিবলৈ ধৰিলে বালিৰ ৰমৰমীয়া ব্যৱসায়। দুৰ্নীতিৰ স'তে আপোচ নকৰা বুলি দাবী কৰা চৰকাৰখনে একাংশ দুৰ্নীতিপৰায়ণ বিষয়া-কৰ্মচাৰী জড়িত হৈ থকাৰ পিচতো তেওঁলোকক নাকী লগাবলৈ সক্ষম হোৱা নাই।

THE ASSAM TRIBUNE, GUWAHATI

THURSDAY, NOVEMBER 21, 2019

# Environmental offences decline in State

PRANJAL BHUYAN

GUWAHATI, Nov 20: Even as the number of incidents of environment related offences has gone up substantially at an all-India level, such cases have witnessed a decline in Assam.

As per latest official data, the State recorded a total of 105 environment related offences during 2017.

Of the total, 49 cases each were registered under The Forest Act and The Forest Conservation Act, 1927, and under The Wildlife Protection Act, 1972, in Assam. Another seven cases were reported under The Cigarette and Other Tobacco Products Act, 2003.

However, no case was reported under other laws like the Environment (Protection) Act, 1986, or those relating to air, noise and water pollution.

The total number of cases in Assam in 2017 decreased on an annual basis as compared to 2016 when the State reported 149 incidences of environment related offences.

However, this happened even as the total number of such cases across India jumped by a whopping 790 per cent or by almost eight times year-on-year.

There were as many as



42,143 incidences of environment related offences in 2017 across the country, as against only 4,732 cases in the previous year.

Assam came at the 11th position with regard to the number of such offences among all the States and Union Territories.

Tamil Nadu with 20,914 incidents of environment related offences was at the top of the table, followed by Rajasthan with 10,122 cases and Kerala with 6,780.

There were 1,863 such incidents in Uttar Pradesh, 494 in Karnataka, 439 in Maharashtra, 307 in Telangana, 196 in Himachal Pradesh, 158 in Jharkhand and 135 in Andhra Pradesh.

However, barring Assam, the other north eastern States reported either none or very few such incidents.

As per latest data, the total number of environment related offences reported during 2017 in Arunachal Pradesh were two, while in Manipur and Mizoram there were only one such incident each. Meghalaya, Nagaland and Tripura did not report any such case in the year under review.

A total of 209 persons were arrested in Assam for being allegedly involved in environment related offences during 2017, while 143 were chargesheeted.

Nationwide, 40,720 were arrested for environment related offences that year.

Commenting on the issue, Dr Bibhab Kumar Talukdar, Secretary General and CEO of noted biodiversity conservation NGO Aaranyak, told *The Assam Tribune* that while the number of cases may have gone down, the law enforcement agencies must keep the pressure on.

"Cases of rhino poaching have come down in our State. There has been improvement in the security, vigilance ar intelligence gathering syste compared to earlier period It is also encouraging to no that the Forest departme and the police have starte playing a more proactive rol The enforcement agenci must keep up the pressur This is not the time to relax he said.

Talukdar added, "At th same time one must keep in mind that when it come to environment related o fences there are many i stances where they remai undetected."

He said that efforts must b made to involve the local com munities.

"The local communities ca always act as the second lin of defence. We must conside them as partners in wildli conservation rather than loo ing at them as a threat, Talukdar added. 2017 is th latest year for which the off cial data is available and it wa released recently.

### যোৰহাট আৰক্ষী-বন বিভাগৰ ব্যৰ্থতাক ধিক্কাৰ

# সাংসদ তাছাৰ ভাতৃৰ নেতৃত্বতে কয়লা ছিণ্ডিকেট




## বিধায়কৰ ঘনিষ্ঠ নেতাৰ আত্মীয়ক জে'ললৈ প্ৰেৰণ

## ৰাণা গোস্বামীৰ অভিযোগ - বালি, পাৰ্কিঙৰো ছিণ্ডিকেট

**প্ৰতিদিন বিশেষ সেৱা, যোৰহাট, ১৮ নৱেম্বৰ ঃ** ৰাজ্যসভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছাৰ ভাতৃসহ বিজেপিৰ তিনিটা ফৈদে চলাইছে কয়লাৰ ছিণ্ডিকেট। এই বিস্ফোৰক অভিযোগ মৰিয়নীৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীৰ। শনিবাৰে নিশা যোৰহাট-চিনামৰাৰ ৰে'লগে'টত বিজেপি যুৱ মৰ্চাৰ এটা দলে কয়লাৰ ট্ৰাকৰ পৰা ধন দাবী কৰিবলৈ গৈ গণ প্ৰহাৰৰ সন্মুখীন হোৱা ঘটনা সন্দৰ্ভত বিধায়ক কুৰ্মীয়ে নিজৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰি সংবাদ মাধ্যমৰ আগত অভিযোগ কৰি কয় যে চুবুৰীয়া ৰাজ্য নাগালেণ্ডৰ পৰা সংগ্ৰহ কৰি যোৰহাটৰ মাজেৰে সৰবৰাহ হোৱা কয়লাক লৈ বিজেপিৰ তিনিটা ■ ১২ পৃষ্ঠাত



## সাংসদ তাছাৰ ভাতৃৰ নেতৃত্বতে কয়লা ছিণ্ডিকেট

■ *তৃতীয় পৃষ্ঠাৰ পৰা* ফৈদে ছিণ্ডিকেট চলাই ধন সংগ্ৰহত নামি পৰিছে। এই ছিণ্ডিকেট চক্ৰই প্ৰতিখন কয়লাভৰ্তি ট্ৰাকৰ পৰা ৫-১০ হেজাৰকৈ টকা দাবী কৰি আহিছে। কয়লাৰ ছিণ্ডিকেট চলোৱা এটা গোট হ'ল সাংসদ কামাখ্যা প্ৰসাদ তাছাৰ ভাতৃ অশ্বিনী তাছাৰ, আনটো শান্তনু পূজাৰীসহ মনোজ হাজৰিকাৰ আৰু তৃতীয়টো হৈছে কংগ্ৰেছৰ পৰা নতুনকৈ বিজেপিত যোগদান কৰা শিৱচৰণ হাতীবৰুৱাৰ নেতৃত্বৰ যুৱ মৰ্চাৰ সাংগোপাংগসকল। শেহতীয়াকৈ এই তিনিটা ফৈদৰ মাজত ছিণ্ডিকেটৰ ধন ভাগ-বাটোৱাৰাক কেন্দ্ৰ কৰিয়েই সংঘাত আৰম্ভ হৈছে। ইয়াৰেই পৰিণতিত শনিবাৰে নিশা এটা ফৈদে চিনামৰাৰ ৰে'লগেটত কয়লাৰ ট্ৰাকৰ পৰা ধন দাবী কৰিবলৈ গৈ বিজেপি যুৱ মৰ্চাৰ মৃগাংক হাজৰিকা নামৰ এজন যুৱক থানাৰ লকআপত সোমাবলগীয়া হয়। বিধায়ক কুৰ্মীয়ে কয় যে কংগ্ৰেছৰ কোনো বিষয়ববীয়াই এনেদৰে ছিণ্ডিকেট কেলেংকাৰীত লিপ্ত হৈ থানাৰ লকআপত সোমাবলগীয়া হোৱা নাছিল। যি অভিযোগ আছিল, সেই সন্দৰ্ভতো ইতিমধ্যে আদালতে ক্লীনশ্বিট দিছে। কিন্তু এতিয়া বিজেপিৰ নেতা-পালিনেতাই গৰু, পাণ, মাছ, বালি, চুপাৰি আৰু শেহতীয়াকৈ কয়লা ছিণ্ডিকেটত নামি পৰিছে। শেহতীয়াকৈ বিজেপিৰ নেতা-পালিনেতাই সকলো দিশৰ পৰাই মুকলিকৈয়ে বলপূৰ্বকভাৱে ধন সংগ্ৰহত নামি পৰিছে। কয়লাৰ ছিণ্ডিকেটক লৈ তুমুল চৰ্চা অব্যাহত থকাৰ সময়তে মৰিয়নীৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীৰ বিস্ফোৰক ভাষ্যই স্বাভাৱিকতেই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। কিয়নো প্ৰতিবছৰেই অক্টোবৰ মাহৰ আৰম্ভণিৰে পৰাই চুবুৰীয়া ৰাজ্য নাগালেণ্ডৰ পৰা সংগ্ৰহ কৰা বিশাল কয়লা সাম্ৰাজ্যখনৰ কেন্দ্ৰবিন্দুৰেই হৈছে মৰিয়নী। মৰিয়নীৰ ২০-২৫ গৰাকী ব্যৱসায়ীৰ বৈধ-অবৈধ অজস্ৰ ডিপোৰ পৰাই প্ৰতিদিনেই ৪০-৫০ ট্ৰাককৈ কয়লা নিশাৰ ভাগত যোৰহাটৰ মাজেৰে ৰাজ্যৰ লগতে বহিঃৰাজ্যলৈও সৰবৰাহ হৈ আহিছে। অৱশ্যে বৰ্তমান দৈনিক ৬-৭ খন ট্ৰাকেহে কয়লা সৰবৰাহ কৰিছে। নাগালেণ্ডৰ পৰা সংগ্ৰহ কৰি যোৰহাটৰ মাজেৰে সৰবৰাহ কৰা এই বিশাল কয়লা সাম্ৰাজ্যখনক কেন্দ্ৰ কৰি শাসকীয় বিজেপিৰ হাইপ্ৰফাইল নেতাৰ আশীৰ্বাদত একাংশ যুৱ নেতাই যোৱা কেইবাবছৰ ধৰি ছিণ্ডিকেট চলাই আহিছে। কিন্তু ক্ষমতাৰ স্বাৰ্থত শাসকীয় বিজেপিয়ে কংগ্ৰেছীক গেৰুৱাকৰণ কৰাৰ প্ৰতিযোগিতাত নামি পৰাৰ পিচতেই দলটোত লবীকেন্দ্ৰিক ৰাজনীতিয়ে বাৰুকৈয়ে গা কৰি উঠে। ফলত বিজেপিৰ সাংসদ-মন্ত্ৰী-বিধায়কৰ ঘনিষ্ঠ কেইবাটাও লবীয়ে কয়লা সাম্ৰাজ্যখনত ছিণ্ডিকেট চলোৱাক কেন্দ্ৰ কৰি সংঘাতৰ সূত্ৰপাত ঘটে। ইয়াৰেই পৰিণতিত শেহতীয়াকৈ বিজেপি যুৱ মৰ্চাৰ এটা দলে কয়লাৰ ট্ৰাকৰ পৰা চিনামৰা ৰে'লগেটত ধন দাবী কৰাত নামি পৰে। শনিবাৰে নিশা ডকাইতৰ ৰূপত অৱতীৰ্ণ হৈ যুৱ মৰ্চাৰ এটা দলে কয়লাৰ ট্ৰাকৰ পৰা ধন দাবী কৰি ট্ৰাকৰ যাৱতীয় সকলো নথি-পত্ৰ কাঢ়ি লোৱাক কেন্দ্ৰ কৰি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। স্থানীয় একাংশ লোকৰ প্ৰহাৰত চাৰিখনকৈ বিলাসী গাড়ীত অহা দলটোৰে ছত্ৰভংগ দিয়ে যদিও ইয়াৰে এজন যুৱকক আটক কৰি চিনামৰা আৰক্ষীক চমজাই দিয়ে ৰাইজে। ঘটনা সন্দৰ্ভত মৰিয়নী নাগাজাংকাৰ সুনীল কছাৰী নামৰ ব্যৱসায়ীজনৰ এজাহাৰৰ ভিত্তিত বিজেপি যুৱ মৰ্চাৰ মৃগাংক হাজৰিকা নামৰ যুৱকজনক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি আজি জে'ললৈ প্ৰেৰণ কৰে। লক্ষণীয় বিষয় যে যোৰহাটৰ বিধায়কৰ এগৰাকী ঘনিষ্ঠৰ আত্মীয় এই যুৱকজনক উদ্ধাৰৰ বাবে এটা চক্ৰই ব্যাপক চেষ্টা চলাইছিল যদিও সফল নহ'ল। যাৰ বাবে কয়লাৰ ছিণ্ডিকেটে এক নতুন মোৰ লোৱাৰ সম্ভাৱনা আছে।

### *সংবাদমেলত ৰাণা গোস্বামীৰ বিস্ফোৰক অভিযোগ*

### *যোৰহাটত বিজেপি কৰ্মীৰ নেতৃত্বতে কয়লা, বালি, পাৰ্কিং আদিৰ বৃহৎ ছিণ্ডিকেট*

**যোৰহাটৰ প্ৰতিদিন সংবাদ ঃ** বিজেপি চৰকাৰ ক্ষমতালৈ আহিয়েই ৰাজ্যৰ সকলো চেকগে'ট, ছিণ্ডিকেটৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি ঘোষণা কৰিছিল, কিন্তু আজি যোৰহাটত খোদ বিজেপি কৰ্মীৰ পৃষ্ঠপোষকতাতে কয়লা, বালি, পাৰ্কিং আদিক কেন্দ্ৰ কৰি গঢ়ি উঠিছে বৃহৎ ছিণ্ডিকেট। যোৰহাটত আজি এখন সংবাদমেলত এই অভিযোগ কৰে প্ৰাক্তন বিধায়ক তথা নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সম্পাদক ৰাণা গোস্বামীয়ে। তেওঁ কয় যে ইমানেই নহয়, যোৰহাটৰ সৰ্বত্ৰ দাদাগিৰি-গুণ্ডাগিৰিয়ে এতিয়া সকলো সীমা চেৰাই গৈছে। যোৰহাটত শেহতীয়াকৈ গঢ়ি উঠিছে ড্ৰাগছৰ এখন বৃহৎ বজাৰ। চান্দা সংগ্ৰহ কৰা লোকৰ অতপালিত অতিষ্ঠ হৈ পৰিছে যোৰহাটৰ ব্যৱসায়ী মহল। কিন্তু এইবোৰ নিয়ন্ত্ৰণত চৰম ব্যৰ্থতা প্ৰদৰ্শন কৰিছে আৰক্ষী আৰু প্ৰশাসনে। আজিৰ তাৰিখত যোৰহাটত আৰক্ষী আৰু প্ৰশাসন নামৰ ব্যৱস্থা আছে বুলি জনসাধাৰণে অনুভৱ নকৰা হৈছে। যোৰহাট জিলা কংগ্ৰেছ ভৱনত আয়োজিত এই সংবাদমেলখনত যোৰহাটৰ প্ৰাক্তন বিধায়ক ৰাণা গোস্বামীয়ে বিজেপি সাংসদ তপন কুমাৰ গগৈ আৰু বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামীৰ নাম উল্লেখ নকৰাকৈ কয় যে এই জনপ্ৰতিনিধি দুজন আজি ক'ত লুকাই আছে। তেওঁ উল্লেখ কৰে যে ২০১৬ চনৰ নিৰ্বাচনৰ ফলাফলৰ পাচত আমাৰ বিধায়কজনে কৈছিল, যোৰহাট ৰাণামুক্ত হ'ল। কিন্তু আজি কি হৈছে? সৰ্বত্ৰ কয়লা, বালি, পাৰ্কিং আদিক কেন্দ্ৰ কৰি কিয় ইমান বৃহৎ ছিণ্ডিকেটযুক্ত হ'ল যোৰহাট জিলা? সংবাদমেলখনত গোস্বামীয়ে কয় যে যোৰহাটৰ আইন-শৃংখলাও আজি বিধ্বস্ত হৈছে। যোৰহাটৰ কয়লা ছিণ্ডিকেটৰ প্ৰসংগ পুনৰ অৱতাৰণা কৰি প্ৰাক্তন বিধায়কগৰাকীয়ে কয়— 'কয়লাৰ ব্যৱসায়ীয়ে বিজেপিৰ কোনো জিলা পৰ্যায়ৰ নেতাক মাহেকীয়াকৈ বৃহৎ পৰিমাণৰ ধন দি কয়লাৰ গাড়ীসমূহ নিৰাপদে পাৰ কৰি দিয়াৰ দায়িত্ব গ্ৰহণ কৰা বুলি শুনিবলৈ পাইছো। এই ধন হেনো ওপৰলৈও যায়। ইয়াৰ ভাগ নোপোৱাৰ বাবেই যোৰহাটৰ ৰাজপথত কয়লাৰ গাড়ীৰ পৰা ডকাইতৰ দৰে ধন সংগ্ৰহ অভিযানত বিজেপি যুৱ মৰ্চাৰ কৰ্মী নামি পৰিছে। আনহাতে যোৰহাটত বালিৰো বৃহৎ ছিণ্ডিকেট চলি আছে। কিন্তু কোনো ব্যৱস্থা বন বিভাগে কিয় নলয়। কাৰণ ইয়াতো আছে বিজেপি নেতা-কৰ্মীৰ হাতোৰা। শেহতীয়াভাৱে আকৌ যোৰহাটত আৰম্ভ হৈছে পাৰ্কিং ছিণ্ডিকেট। উপ-ৰাষ্ট্ৰীয় পথত সূৰ্য পেট্ৰ'ল পাম্পৰ কাযত ৰখাই থোৱা ট্ৰাকসমূহৰ পৰা গুণ্ডাকৰ সংগ্ৰহ অভিযানত নামিছে একাংশ বিজেপি কৰ্মী। ভাস্কৰ, পল্লৱ, গণতন্ত্ৰ, সৌৰভ আদি কেইবাজনো বিজেপি কৰ্মী এই পাৰ্কিং ছিণ্ডিকেটত জড়িত বুলি তেওঁ অভিযোগ কৰে। আনহাতে যোৰহাট চহৰত চলি থকা বিভিন্ন এপে, মেজিক, স্কুল ভান আদিৰ প্ৰত্যেকৰে পৰা প্ৰতি মাহে যান-বাহন শাখাৰ আৰক্ষীয়ে ১৫০ টকাকৈ সংগ্ৰহ কৰি আছে। প্ৰাক্তন বিধায়ক ৰাণা গোস্বামীয়ে অভিযোগ কৰে যে এই ধন এপে, মেজিক, স্কুল ভানসমূহৰ সন্থাসমূহে সংগ্ৰহ কৰি মাহেকীয়াভাৱে আৰক্ষীক দিবলৈ বাধ্য হৈছে। তদুপৰি তেওঁ কয় যে আজিৰ তাৰিখত যোৰহাট চহৰৰ পৰা সমগ্ৰ উজনি অসমলৈ ড্ৰাগছৰ হোলছেল হয়। তদুপৰি চহৰখনৰ পৌৰ এলেকাৰ ৫ টা ৱাৰ্ড এতিয়া ড্ৰাগছৰ কবলত পৰিছে। ইয়াৰ বাবে মহিলাসকলে জোঁৰ সমদল উলিয়াব লগা হৈছে। কিন্তু আৰক্ষীয়ে একো ব্যৱস্থা গ্ৰহণ নকৰে। কিয়নো এই ড্ৰাগছৰ বেহাত জড়িত হৈ আছে একাংশ আৰক্ষী। লগতে সংবাদমেলখনত বিধায়ক ৰাণা গোস্বামীয়ে কয়— 'অলপতে যোৰহাট চিকিৎসা মহাবিদ্যালয়ত এমাহতে ৪৫ টা শিশুৰ মৃত্যু হ'ল। কিন্তু কোনো তদন্তই নহ'ল। যোৰহাটৰ প্ৰতিটো বাট-পথ আজি ভাগি-ছিগি বিধ্বস্ত হৈছে। কিন্তু মেৰামতি কৰা হোৱা নাই। চহৰখনৰ জে বি ৰোড, আটিলা গাঁও পথ, ২ নং বামুণগাঁও পথ, ঢেকীয়াজুলি বামুণ কঁহাৰ গাঁও পথ, ডাঁহীখোৰ বাঘমৰা পথ, কাকতী গাঁও পথ, চাৰিগাঁও-নিমাতী পথ, ৰঙাইহাবি, হাবুঙিয়া পথ আদিৰ ব্যৱস্থা অবৰ্ণনীয়। কিন্তু এইবোৰ মেৰামতিৰ কোনো প্ৰচেষ্টা নাই আমাৰ বিধায়কগৰাকীৰ। তেওঁ এতিয়া এই বিধ্বস্ত বাট-পথসমূহলৈ পিঠি দি ভোটৰ অংকত পঞ্চায়তৰ ধনেৰে নিৰ্মাণ কৰিবলৈ লোৱা পথৰ আধাৰশিলা স্থাপন কৰি ৰাজনীতিহে আৰম্ভ কৰিছে। ইফালে যোৱা ২১ অক্টোবৰত যোৰহাটত হোৱা প্ৰচণ্ড ধুমুহাত গুৰুতৰভাৱে ক্ষতিগ্ৰস্তসকলেও আমাৰ বিধায়ক আৰু সাংসদৰ ছাঁটোকে দেখিবলৈ নাপালে বুলি লগতে সংবাদমেলত ৰাণা গোস্বামীয়ে অভিযোগ কৰে।